**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-MAY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

---

১। বিধানসভাত আজি মুখ্যমন্ত্ৰীৰ উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধন অধিনিয়ম ২০২৬ৰ দাখিল। মহিলাৰ বাবে এক-তৃতীয়াংশ আসনৰ ব্যৱস্থা কাৰ্যকৰীৰ বাবে লোৱা প্ৰস্তাৱৰ আলোচনা।

২। ২০২৭ বৰ্ষৰ লোকপিয়ল আৰু গৃহ পিয়লৰ সৈতে জড়িত বিষয়াসকলৰ ৰাজ্যিক পৰ্যায়ৰ সন্মিলন।

৩। মুম্বাইত দ্বিতীয়টো অসম ভৱন নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক ভূমি হস্তান্তৰ।

৪। ৰাজ্যৰ বিভিন্ন জিলাত জন ভাগীদাৰী অভিযানৰ সফল সামৰণি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি চতুৰ্থ দিনা সদনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধন অধিনিয়ম, ২০২৬ দাখিল কৰিব। মন্ত্ৰী শ্ৰী শৰ্মাই বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৬৯ (১) নিয়মৰ অধীনত উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধন অধিনিয়ম, ২০২৬-ৰ জৰিয়তে তৎকালীনভাৱে বিধায়ন প্ৰণয়ন কৰিবলগীয়া হোৱা পৰিস্থিতিৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি বিবৃতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ সদনতে উত্তৰ লখিমপুৰ বিশ্বিদ্যলয় সংশোধন বিধেয়ক, ২০২৬-ৰ উত্থাপন কৰিবলৈ অধ্যক্ষৰ অনুমতি বিচাৰিব আৰু বিধেয়কখন উত্থাপন কৰিব।

ইয়াৰ পাছতেই কালি বিধায়ক বিশ্বজিৎ ফুকনে উত্থাপন কৰা আৰু বিধায়ক সুশান্ত বৰগোহাঁইয়ে সমৰ্থন কৰা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আজি অসম বিধানসভাৰ সদস্যসকলে তেওঁৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে প্ৰস্তাৱ গ্ৰহণ কৰি এই সন্দৰ্ভত বিস্তৃত আলোচনা অনুষ্ঠিত কৰিব।

বিধানসভাৰ অধিৱেশনত কালি মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে উত্থাপিত সংকল্প প্ৰস্তাৱ সন্দৰ্ভত আজি আলোচনা অনুষ্ঠিত হোৱাৰ লগতে এই সংকল্প প্ৰস্তাৱটো পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব। উল্লেখযোগ্য যে মন্ত্ৰী শ্ৰীমতী নেওগে কালি এই প্ৰস্তাৱ উত্থাপন কৰি কয়, যে দেশৰ আধাসংখ্যক মহিলাৰ উন্নতি নিশ্চিত নহ'লে দেশৰ প্ৰগতি সুনিশ্চিত নহয়। তেওঁ কয়, যে প্ৰাচীন কালৰে পৰাই ভাৰতত মহিলাক উচ্চস্থান দি অহা হৈছে যদিও সময়ে সময়ে মহিলাৰ সন্মান, মৰ্যাদা হানি হোৱা অনেক কাৰ্যও পৰিলক্ষিত হৈছে। মহিলাসকলক ৰাজনৈতিক, সামাজিকভাৱে আগবঢ়াই নিনিলে তেওঁলোকৰ সৰ্বাংগীন উন্নতি সম্ভৱ নহয়। ইয়াৰ বাবে চৰকাৰৰ লগতে সকলোৰে সহায়-সহযোগিতা লাগিব। মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে এই সংৰক্ষণ অতি প্ৰয়োজনীয় বুলিও মন্ত্ৰী নেওগে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, কাইলৈ বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ অধ্যক্ষতাত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কালি ২০২৭ বৰ্ষৰ লোকপিয়ল আৰু গৃহ পিয়লৰ সৈতে জড়িত প্ৰধান লোকপিয়ল বিষয়াসকলৰ ৰাজ্যিক পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হয়। অসম লোকপিয়ল সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত এই সন্মিলনত দেশৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত, মুখ্য লোকপিয়ল বিষয়া, ৰাজ্যিক ন'ডেল বিষয়া, সকলো জিলাৰ জিলা আয়ুক্তকে ধৰি

কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে ২০২৭ বৰ্ষৰ লোকপিয়ল প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে পৰিচালনা কৰা হ'ব আৰু গৃহ তালিকা, গৃহ পিয়ল আৰু জনসংখ্যা গণনা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। লোকপিয়লৰ প্ৰথম পৰ্যায়ত গৃহ আৰু পৰিয়ালৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। প্ৰথম পৰ্যায়ৰ জৰিয়তে সংগৃহীত তথ্যই সমগ্ৰ দেশৰ লগতে অসমৰ গ্ৰামাঞ্চল, নগৰাঞ্চল, গৃহ নিৰ্মাণ, আন্তঃগাঁথনি আৰু মৌলিক সেৱা প্ৰদানৰ বাবে পৰিকল্পনা কৰাৰ ক্ষেত্ৰত, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক যথেষ্ট সহায় কৰিব। গৃহ তালিকা আৰু গৃহ পিয়লৰ জৰিয়তে সংগৃহীত নৱীকৃত আৰু প্ৰাথমিক তথ্যসমূহে সমগ্ৰ ৰাজ্যতে বানপ্ৰৱণ অঞ্চল, নগৰ সম্প্ৰসাৰণ, চাহ বাগিচা অঞ্চল, জনজাতীয় অঞ্চলৰ বাবে উন্নত পৰিকল্পনা আৰু বিভিন্ন সামাজিক খণ্ডৰ আঁচনি ৰূপায়ণত সহায় কৰিব। আনহাতে গৃহ আৰু পৰিয়ালৰ সুবিধা সমূহৰ সঠিক তথ্যই ৰাজ্যিক গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ উভয়তে গৃহ নিৰ্মাণ, খোৱাপানী, শৌচালয়, বিদ্যুৎ আৰু ডিজিটেল সংযোগৰ সৈতে জড়িত কাম-কাজসমূহ ভালদৰে ৰূপায়ণ কৰাত যথেষ্ট সহায়ক হ'ব।

ৰাজ্য চৰকাৰে লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ বাবে ৰাষ্ট্ৰীয় সময়সূচী ১৭ আগষ্টৰ পৰা ১৫ ছেপ্তেম্বৰলৈ নিৰ্ধাৰণ কৰি অধিসূচনা জাৰি কৰিছে। অসমত প্ৰথম পৰ্যায়ৰ বাবে স্ব-গণনা ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ চৰকাৰী প'ৰ্টেলৰ জৰিয়তে উপলব্ধ হ'ব। দেশৰ আন কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে অসমতো ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনা কৰা হ'ব। বৈঠকত ক্ষেত্ৰ পৰিচালনা, প্ৰশিক্ষণ, ডিজিটেল আন্তঃগাঁথনি, পৰ্যবেক্ষণ আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন প্ৰস্তুতিৰ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচী চলোৱাৰ বাবে অসমৰ পৰা দুজন ৰাষ্ট্ৰীয় প্ৰশিক্ষক বাছনি কৰা হৈছে। ৰাজ্যত মুঠ ৫৯ জন অভিজ্ঞ প্ৰশিক্ষক নিয়োগ কৰা হৈছে। ৰাজ্যত লোকপিয়লৰ প্ৰথম পৰ্যায়ত সংৰক্ষিত কৰ্মীকে ধৰি মুঠ প্ৰায় ৮৩ হাজাৰ ৫৩৫ জন গণনাকাৰী আৰু পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

oooooo

দেশৰ বাণিজ্য মহানগৰী মুম্বাইত দ্বিতীয়টো অসম ভৱন নিৰ্মাণৰ বাবে অসম চৰকাৰক কালি আনুষ্ঠানিকভাৱে ৪ দশমিক ৮ বিঘা ভূমি হস্তান্তৰ কৰা হয়। কেন্দ্ৰীয় জাহাজ আৰু বন্দৰ মন্ত্ৰালয়ৰ তৰফৰ পৰা মুম্বাইৰ মাজ-মজিয়াৰ কটন গ্ৰীণত ভূমিখিনিৰ স্বত্ব প্ৰদান কৰা হয়। অসম চৰকাৰৰ হৈ নগাঁও জিলাৰ আয়ুক্ত তথা অসম ভৱন মুম্বাইৰ অতিৰিক্ত যুটীয়া আবাসিক আয়ুক্ত দেৱাশীষ শৰ্মাই এই স্বত্ব গ্ৰহণ কৰে। উল্লেখযোগ্য যে নৱী মুম্বাইত থকা অসম ভৱনত আবাসীৰ বৰ্ধিত হেঁচাৰ পৰিপ্ৰেক্ষিতত বাণিজ্যিক চহৰখনত আন এটা অসম ভৱনৰ আৱশ্যকতা আহি পৰিছিল। এই নতুন অসম ভৱনে অসমৰ পৰা চিকিৎসাৰ বাবে মুম্বাইলৈ যোৱা কৰ্কট ৰোগীসকলৰ লগতে অন্যান্য অতিথিসকলৰ বাবে আবাসৰ সুবিধা প্ৰদান কৰাৰ লগতে মুম্বাইত অসমৰ সংস্কৃতি, পৰ্যটন আৰু বাণিজ্যৰ সম্ভাৱনা প্ৰচাৰৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব। নতুন অসম ভৱনৰ নিৰ্মাণ সন্দৰ্ভত দেৱাশীষ শৰ্মাই এইদৰে কয় –

বাইট

oooooo

ৰাজ্যত যোৱা ১৮ মে'ৰ পৰা চলি থকা কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ **জন ভাগীদাৰী– সবছে দূৰ, সবছে পেহলে** অভিযানৰ বিভিন্ন কাৰ্যসূচীৰ কালি অন্ত পৰে। জিলা প্ৰশাসনসমূহৰ প্ৰত্যক্ষ তত্বাৱধানত চৰকাৰী আঁচনি আৰু জন সেৱামূলক কাৰ্যসূচীত সাধাৰণ নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই অভিযানত ৰাজ্যৰ গ্ৰামাঞ্চলসমূহৰ স্বাস্থ্যসেৱা, পশু স্বাস্থ্য সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়।

এই অভিযানৰ অধীনত কামৰূপ জিলাত চলি থকা জন শুনানি কাৰ্যসূচী, স্বাস্থ্য শিবিৰ আৰু সজাগতা কাৰ্যকলাপৰ কালি সফলতাৰে সামৰণি পৰে। এই অভিযানত জিলাখনৰ চাৰিটা উন্নয়ন খণ্ডত ৩৪টা আদি সেৱা কেন্দ্ৰৰ জৰিয়তে ৬৪ খন গাঁও সামৰি লোৱা হয়। অভিযানত মহিলা, যুৱক-যুৱতী, বয়োজ্যেষ্ঠ তথা দিব্যাংগকে ধৰি প্ৰায় ৪ হাজাৰ নাগৰিকে অংশগ্ৰহণ কৰে। অভিযানৰ সময়ত নাগৰিকসকলে বিভিন্ন বিষয়াৰ সৈতে পোনপটীয়াকৈ

মত বিনিময় কৰি কল্যাণমূলক আঁচনি, খোৱাপানী যোগান, পথ আন্তঃগাঁথনি, আধাৰ সেৱা, ৰেচন কাৰ্ড, স্বাস্থ্য সেৱা আৰু জীৱিকা সমৰ্থন সম্পৰ্কীয় সমস্যা উত্থাপন কৰে। অভিযানৰ সামৰণিৰ দিনালৈ মুঠ ৩ হাজাৰ ৯০০ৰো অধিক অভিযোগ আৰু ৰাজহুৱা সমস্যা লিপিবদ্ধ কৰা হয়।

বৰপেটাতো কালি সপ্তাহজোৰা জন ভাগীদাৰী অভিযানৰ সামৰণি পৰে। এই কাৰ্যসূচী ৰূপায়ণৰ দায়িত্বত থকা জিলা উন্নয়ন আয়ুক্ত গীতালী দুৱৰাই কালি এখন সংবাদমেলযোগে সদৰি কৰে যে সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অধীনৰ সুবা গাঁৱত এইবাৰৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনত এই অভিযানৰ সময়ছোৱাত ২১০টা অভিযোগ থিতাতে নিষ্পত্তি কৰা হয় আৰু ৫২৮ খন আবেদনৰ অভিযোগ মীমাংসাৰ বাবে গ্ৰহণ কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

নগাঁও জিলাত বিগত ১৮ মে'ৰ পৰা আৰম্ভ হোৱা সপ্তাহজোৰা জন ভাগীদাৰী অভিযান কালি সফলতাৰে সামৰণি পৰে। জিলাখনৰ ১৬টা উন্নয়ন খণ্ডৰ অন্তৰ্গত জনজাতি বসতিপ্ৰধান ৩৪ খন গাঁৱত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অভিযান চলা সময়ছোৱাত ৩৭টা বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ উপৰি বিভিন্ন আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড, ভূমি হস্তান্তৰণ নথি, কিষাণ ক্ৰেডিট কাৰ্ড আদি বিভিন্ন সুবিধা ঠাইতে প্ৰদান কৰা হয়। ৩০৪টা বিষয় ঠাইতে সমাধা হয় আৰু বাকী ৬৩টা বিষয় সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হয়।

যোৰহাটতো এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য, পশুপালন আৰু মীন বিভাগৰ যুটীয়া উদ্যোগত গ্ৰহণ কৰা একাধিক কাৰ্যসূচীৰ জৰিয়তে সাধাৰণ ৰাইজক প্ৰয়োজনীয় সেৱা আগবঢ়োৱাৰ লগতে সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়।

০০০০০০

পশ্চিম এছিয়াত চলি থকা সংকটে খাৰুৱা তেল, এল পি জি আৰু প্ৰাকৃতিক গেছৰ আমদানিত প্ৰভাৱ পেলাইছে যদিও দেশত পেট্ৰ'লজাত সামগ্ৰীৰ নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টা অব্যাহত আছে বুলি কালি কেন্দ্ৰই অৱগত কৰে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কালি এখন আন্তঃমন্ত্ৰালয় সংবাদমেলত কয়, যে পশ্চিম এছিয়াৰ সংকটৰ বাবে প্ৰায় ৪০ শতাংশ খাৰুৱা তেল, ৯০ শতাংশ এল পি জি আৰু ৬৫ শতাংশ প্ৰাকৃতিক গেছৰ আমদানি প্ৰভাৱিত হৈছে। তেওঁ লগতে জনাই যে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ দেশৰ শোধনাগাৰসমূহত এল পি জিৰ উৎপাদন বৃদ্ধি কৰা হৈছে আৰু সম্প্ৰতি দৈনিক প্ৰায় ৫০ হাজাৰ টনকৈ উৎপাদন হৈ আছে। যোৱা ৪ দিনত ১ কোটি ৬৬ লাখ বুকিঙৰ বিপৰীতে প্ৰায় ১ কোটি ৭২টা চিলিণ্ডাৰ যোগান ধৰা হৈছে। আনহাতে পি এন জি সংযোগ সন্দৰ্ভত তেওঁ কয়, যে ৭ কোটি ৯৯ লাখ সংযোগলৈ গেছৰ যোগান ধৰা হৈছে আৰু প্ৰায় ২ কোটি ৮৭ লাখ সংযোগ নতুনকৈ সাজু হৈছে। যুটীয়া সচিবগৰাকীয়ে লগতে গ্ৰাহকক ইন্ধনৰ নাটনিৰ প্ৰতি আতংকিত হৈ প্ৰয়োজনতকৈ অধিক পৰিমাণে ক্ৰয় নকৰিবলৈ আহ্বান জনায়।

**বাইট (সুজাতা শৰ্মা)**

০০০০০০

অসম ভ্ৰমণলৈ অহা ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং ট'বগেই কালি গুৱাহাটীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ভূটান আৰু উত্তৰ-পূব ভাৰত বিশেষকৈ অসমৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰা আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বিষয়ে লোক ভৱনত হোৱা এখন বৈঠকত উত্তৰ-পূব অঞ্চলৰ বৃহত্তৰ স্বাৰ্থত সহযোগিতা বৃদ্ধি আৰু সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে বহুকেইটা বিষয় সামৰি লোৱা হয়। দুয়ো পক্ষই ভাৰত আৰু ভূটানৰ মাজত গভীৰভাৱে শিপাই থকা সভ্যতাবাদী সম্পৰ্ক আৰু আঞ্চলিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত অসমৰ ক্ৰমবৰ্ধমান ভূমিকাক আলোকপাত কৰে। চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণক লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ভাৰত আৰু ভূটানৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো অসমৰ ভূমিকা গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উপ-আঞ্চলিক সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ লগতে উত্তৰ-পূবত বিনিয়োগ আৰু বহনক্ষম উন্নয়নৰ বাবে নতুন সুযোগ মুকলি কৰিব বুলি তেওঁ উল্লেখ কৰে।

দুয়োগৰাকী নেতাৰ মাজত হোৱা আলোচনাত ভৌগোলিক সীমা অতিক্ৰম কৰি সংযোগ বৃদ্ধি, বাণিজ্য, পৰ্যটন, সাংস্কৃতিক আদান-প্ৰদান আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক বৃদ্ধিৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। লগতে আলোচনাত জলবিদ্যুৎ, শিক্ষা, আন্তঃগাঁথনি আৰু সীমান্ত অঞ্চল উন্নয়নৰ দৰে খণ্ডত সহযোগিতাৰ বিষয়বোৰেও গুৰুত্ব লাভ কৰে।

০০০০০০

বিবাহ, লিভ ইন ৰিলেচনশ্বিপ, বহুবিবাহক লৈ অসম বিধান সভাত কালি বহু চৰ্চিত সমৰূপ নাগৰিক সংহিতা বিধেয়ক চমুকৈ ই উ চি চি উত্থাপণ হোৱাৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বছৰি গড়ে **১৮** শতাংশ উচ্চ হাৰত ৬ লাখ ৪৩ হাজাৰ ৬৬৭ কোটিলৈ বৃদ্ধি অসমৰ জিএছডিপি- এই শিৰোণামেৰে 'কেগ'ৰ প্ৰতিবেদনৰ বাতৰি এটা **নিয়মীয়া বাৰ্তা** কাকতখনে তথ্য সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ আধাৰত অসমৰ শৈক্ষিক খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যাপক ব্যৱহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰাৰ বাতৰি **দৈনিক অসম** কাকতৰ। মাত্ৰ **১০** দিনৰ ভিতৰত দেশত পেট্ৰল ডিজেলৰ মূল্য চতুৰ্থ বাৰলৈ বৃদ্ধি পোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন** আৰু **দৈনিক অগ্ৰদূত** কাকতৰ লগতে আন আন কাকতসমূহেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম** কাকত খনে 'চাৰিবাৰকৈ মূল্যবৃদ্ধিৰ পাছতো তেল কোম্পানীৰ লোকচানৰ ৪৪ শতাংশহে পূৰণ'- এই শিৰোণামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। চলিত বৰ্ষৰ নীট ইউজিৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু পৰীক্ষা অনুষ্ঠিত কৰা সংস্থা এনটিএক তিনি দিনৰ ভিতৰত নিজৰ নিজৰ স্থিতি শপতনামাযোগে দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ বাতৰি এটা **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। মুম্বাইত দ্বিতীয়টো অসম ভৱন নিৰ্মাণৰ বাবে অসম চৰকাৰক কালি অনুষ্ঠানিকভাবে ৪ দশমিক ৮ বিঘা ভূমি হস্তান্তৰ কৰাৰ বাতৰি দা চেন্টিনেল কাকতখনে প্ৰথম পৃষ্ঠাত আলোক চিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ধৰমশালাত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াভাৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিব। ইপিনে আজিৰ খেলখনত পৰাস্ত হোৱা দলটোৱে দ্বিতীয়খন কোৱালিফায়াৰ খেলৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ আন এটা সুযোগ পাব।

প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখন কাইলৈ মোহালীৰ নিউ চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত খেলোৱা হ'ব। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। কাইলৈৰ খেলখনত জয়ী হোৱা দলটো দ্বিতীয়খন কোৱালিফায়াৰত আজিৰ খেলত পৰাস্ত দলটোৰ মুখামুখি হ'ব। খেলখন অহা শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কাইলৈৰ খেলখনত পৰাস্ত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

উল্লেখযোগ্য যে ১৪ খন খেলৰ পৰা ১৮ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমটো দল হিচাপে এইবেলি প্লে অফত প্ৰৱেশ কৰিছিল। গ্ৰুপ পৰ্যায়ত গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদেও ১৮ পইণ্টকৈ অৰ্জন কৰিছিল যদিও উন্নত নেট ৰান ৰেটৰ ভিত্তিত বেংগালুৰুৱে তালিকাত প্ৰথম স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হয়। ইপিনে ১৬ পইণ্টেৰে ৰাজস্থানে চতুৰ্থ তথা প্লে অফৰ অন্তিমটো স্থান দখল কৰে।

০০০০০০

**সমাপ্ত**